এইটো এটা শিল, যিটো সত্তৰ বছৰ আগত জাহান্নামত নিক্ষেপ কৰা হৈছিল, এতিয়াহে গৈ জাহান্নামৰ তল পালে।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ আমি ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ লগত আছিলোঁ, ঠিক সেই সময়তে কিবা পৰি যোৱাৰ এটা
বিকট শব্দ শুনা পালোঁ। তেতিয়া তেখেতে ক'লেঃ "তোমালোকে জানানে এইটো কিহৰ শব্দ?"
তেওঁ কৈছেঃ আমি ক'লোঁ, আল্লাহ আৰু তেওঁৰ ৰাছুলেহে ভালদৰে জানে। তেতিয়া তেখেতে ক'লেঃ "এইটো এটা শিল, যিটো সত্তৰ বছৰ আগত জাহান্নামত নিক্ষেপ কৰা হৈছিল, এতিয়াহে গৈ জাহান্নামৰ তল পালে।"
[ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এটা বিকট শব্দ শুনা পালে, যিদৰে এটা শকত শৰীৰৰ মানুহ পৰি গলে শব্দ হয়। ইয়াৰ পিছত তেখেতে তেখেতৰ ওচৰত থকা চাহাবাসকলক এই শব্দটোৰ বিষয়ে সুধিলে। তেওঁলোকে ক'লেঃ আল্লাহ আৰু তেওঁৰ ৰাছুলেহে ভালকৈ জানে। তেতিয়া তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ তোমালোকে শুনা পোৱা এই শব্দটো হৈছে এটা শিলৰ শব্দ, যিটোক সত্তৰ বছৰ আগত জাহান্নামৰ পাৰৰ পৰা নিক্ষেপ কৰা হৈছিল, ইমান দিনে সেইটো পৰিয়ে আছিল, এতিয়াহে গৈ তল পালে।

http://sunnah.global/hadeeth/as/show/3370